কিনকিনীয়া চকুলোৰে হুমুনিয়াহ ভাবকণেৰে
প্ৰণয় সূৰুয দেৱতাৰে
জিলিকনি সানিম...

গগন, মেঘ, বিজুলী, সূৰুয, ইন্দ্ৰধনু, আকাশ আদি প্ৰকৃতিৰ বুকুৰ পৰা আহৰিত শব্দ ব্যঞ্জনাৰে নিজে বিচৰা ধৰণে জীৱন সজোৱাৰ পৰিকল্পনা কৰিছে যাযাবৰী সময় কটোৱা কবি বিষ্ণুপ্ৰসাদ ৰাভাই।

এনেদৰে বিশ্লেষণ কৰিলে দেখা যায়, বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ চেতনাত প্ৰকৃতিপ্ৰীতিও প্ৰৱাহিত হৈ আছিল। তাৰ প্ৰকাশ ঘটিছিল তেখেতৰ গীতিকবিতাসমূহত। প্ৰকৃতিৰ ভিন ভিন উপাদানক ভাবৰ ব্যঞ্জনা ৰূপত ব্যৱহাৰ কৰি এই গীতিকবিতাসমূহৰ মাজেৰে ৰাভাদেৱে মানৱকেন্দ্ৰিক নৈতিকতা আৰু ৰোমাণ্টিক চেতনা ধ্বনিত-প্ৰতিধ্বনিত কৰিছে। প্ৰকৃতিপ্ৰীতি প্ৰকাশক এই গীতিকবিতাসমূহৰ জৰিয়তে বিষ্ণু ৰাভাৰ তীব্ৰ বিপ্লৱী কণ্ঠস্বৰৰ আঁৰত লুকাই থকা সুকোমল মানৱীয় হৃদয়খন উন্মোচিত হৈছে।

ঠিকনা ঃ সহযোগী অধ্যাপক, ইংৰাজী বিভাগ, নলবাৰী কলেজ, নলবাৰী, ফোন ঃ ৯৪৩৫৩৪৫৬৬০

# আজন্ম প্ৰেমিক—গণশিল্পী বিষ্ণু ৰাভা

**তিলোত্তমা মহন্ত গোস্বামী**

যিজন ব্যক্তি আমাৰ সমাজত কলাগুৰু হিচাপে সমাদৃত, সেইজন ব্যক্তিৰ জীৱন মানৱ প্ৰেমেৰে ভৰপূৰ। তেখেত আছিল এজন ৰোমাণ্টিক মনৰ মানুহ। বহু সাধনাৰ ফলতহে এখন সমাজে এনে এজন প্ৰতিভাৱান ৰোমাণ্টিক শিল্পীক লাভ কৰে।

যি সময়ত অসমৰ সমাজ ব্যৱস্থা এলান্ধুকলীয়া সংস্কাৰেৰে ভৰি আছিল, সেই সময়তে নৱতম সৃষ্টিৰ সূচনা কৰি অসমীয়া সমাজখনক বিষ্ণুপ্ৰসাদ ৰাভাই সকলো দিশতে এখোজ আগুৱাই লৈ গৈছিল। আদৰ্শ গুৰুৰূপে হৃদয়ত স্থাপন কৰি লৈছিল শংকৰ-মাধৱক।

নিজে বিভিন্ন বিষয়ত শিক্ষা আহৰণ কৰি অসমৰ গাঁৱৰ মানুহৰ জ্ঞান চক্ষু মেল খুৱাবলৈ বিভিন্ন প্ৰকাৰে চেষ্টা কৰিছিল কেতিয়াবা যদি অভিনেতা, কেতিয়াবা নৃত্যশিল্পী হৈ। কি কৰা নাছিল তেখেতে। চিত্ৰকৰ, লেখক, গীতিকাৰ, সুৰকাৰ, পৰিচালক, অভিনেতাৰ পৰা ৰাজনীতিলৈকে সকলোতে তেখেতে দক্ষতাৰে কাম কৰিছিল। সকলো কামৰ মূল আছিল জাতিপ্ৰেম।

অসমৰ পৰ্বত-ভৈয়াম একাকাৰ কৰি ঘূৰি মানুহৰ সুখ-দুখৰ সমভাগী হৈ হৃদয় জয় কৰিছিল।

ৰাভাৰ হৃদয়ে হাহাকাৰ কৰিছিল নিঃকিন-দৰিদ্ৰ-নিপীড়িতজনৰ কাৰণে। অন্যায়-অত্যাচাৰ-ব্যভিচাৰ প্ৰতিহত কৰাৰ চিন্তাত তেখেতে দিন-ৰাতি একাকাৰ কৰি ফুৰিছিল।

সেই সময়তে তেখেত মাৰ্ক্সবাদ, লেনিনবাদৰ মতাদৰ্শৰ সান্নিধ্যলৈ আহি ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ শান্তিপূৰ্ণ পথ পৰিহাৰ কৰি নিজক জাতীয়তাবাদী স্তৰৰ পৰা কমিউনিষ্ট বিপ্লৱৰ স্তৰলৈ উন্নীত কৰিছিল। তেখেতে ধনী-দুখীয়া, শ্ৰমিক, কৃষক, বনুৱা সকলোৰে সৈতে এখন নতুন অসম গঢ়াৰ চিন্তাত হাতত অস্ত্ৰও তুলি লৈছিল। ৰাভাদেৱে দলিত শ্ৰেণীক স্বাধীনতাৰ আস্বাদন দিয়াৰ চিন্তা কৰিছিল। এইবোৰ চিন্তাৰ বাবেই তেখেত হয়তো কোনো দলীয় আৱেষ্টনীৰ মাজত আবদ্ধ হৈ থকা নাছিল। মুক্ত মনেৰে জনগণৰ হকে সংগ্ৰাম কৰি গৈছিল। এই সংগ্ৰামৰ কাৰণে তেখেতে কেতিয়াবা কাৰাবাস, কেতিয়াবা অজ্ঞাতবাস খাটিবলগীয়া হৈছিল।

তেখেত শিল্পী হৈ জন্ম লৈছিল বাবেই হৃদয়ত দোলাদি আছিল প্ৰেম। এখন ভিতৰুৱা ঠাইত জন্ম হ'লেও তেখেত অসমৰ পৰ্বত-ভৈয়াম সকলো শ্ৰেণীৰ মানুহৰ হিয়াৰ আমঠু হৈ পৰিছিল। অসমৰ জগতগুৰুক কলাৰ মাধ্যমেৰে অসমৰ বাহিৰত প্ৰতিষ্ঠা কৰিবলৈ তেখেত সমৰ্থ হৈছিল। অসমৰ সত্ৰই সত্ৰই ঘূৰি ফুৰি মৌপিয়া চৰাইটোৰ দৰে বিচাৰি ফুৰিছিল শংকৰী কৃষ্টি-সংস্কৃতিৰ সম্পদ। সেয়া আছিল তেখেতৰ অসমৰ প্ৰতি থকা অগাধ প্ৰেম।

সাংসাৰিক প্ৰেমে অতিমানৱ প্ৰেমক কেতিয়াও বান্ধি ৰাখিব নোৱাৰে। সেইবাবে পাৰিবাৰিক জীৱনলৈ আওকাণ কৰি ওৰেটো জীৱন অসমৰ গাঁও-ভুঁয়ে, নগৰে-চহৰে অনাই বনাই ফুৰিছিল।

অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত তেখেতে বিচাৰি পাইছিল মানৱীয় আবেদন। সকলোৰে হৃদয় তেখেতে জয় কৰিছিল প্ৰেমেৰে। উজনি-নামনি, পৰ্বত-ভৈয়াম সকলোতে তেখেতে বিচাৰি ফুৰিছিল অসমীয়া কৃষ্টিৰ ৰহঘৰা। বড়োসকলৰ ৰণচণ্ডী নৃত্য, কছাৰীসকলৰ দেওধনী নৃত্য, জনজাতীয় চিফুং বাঁহী, উজনি অসমৰ গগনা, ম'হৰ শিঙৰ পেঁপা, আইনাম, বিয়ানাম আদিত ৰূপ-ৰস বিচাৰি ৰাভাই প্ৰেমৰ মৌপান কৰিবলৈ ধৰিছিল। সেই মৌৰে ব্যক্তিনিষ্ঠ ভাবেৰেও লিখিছিল বহুত গীত।

ৰাভাদেৱৰ হৃদয় তৃষ্ণা পলাইছিল জানো এনেকৈ! নিশ্চয় পলোৱা নাছিল। সেয়ে হয়তো তেখেতে ছটফটাই আছিল অসমীয়া কৃষ্টি-সংস্কৃতিৰ ধাৰক হালোৱা, হজুৱা, বনুৱাসকলক পুঁজিপতিৰ কবলৰ পৰা মুক্ত কৰিবলৈ। বিপ্লৱী কণ্ঠৰে গাঁৱে-ভুঁয়ে প্ৰচলিত শব্দৰে লিখি গৈছিল মুক্তিকামী গীত।

ৰাভাদেৱৰ সাহিত্যৰাজি বিশ্লেষণ কৰিলে আমি দেখা পাওঁ যে প্ৰেম-বিৰহ, পোৱা-নোপোৱা, হ'ব-নহ'ব দ্বন্দ্বৰে তেখেতৰ জীৱনটো আৱৰি আছিল। নিজৰ দৃষ্টিভংগী আৰু জাতীয় মুক্তি সংগ্ৰামৰ সক্ৰিয় ৰাজনীতিয়ে তেখেতৰ জীৱনটো লটিঘটিলৈ পৰ্যবসিত কৰিছিল। ব্যক্তিনিষ্ঠ গীতবোৰলৈ চালে ৰাভাদেৱৰ যিবোৰ গীতত প্ৰেম-বিৰহৰ ভাব প্ৰকাশ হৈছে সেইবোৰ গীতৰ অন্তৰালত তেখেতৰ ব্যক্তিগত জীৱনৰ বহু কথাই সাক্ষী হৈ আছে। এই গীতখিনিয়ে যুগে যুগে মানুহৰ হৃদয়ত স্পৰ্শ কৰিব। তেখেতে বিফল প্ৰেমৰ দহনত যিবোৰ গীত সৃষ্টি কৰিছিল সেইখিনি গীতে সৰ্বকালে মানুহৰ প্ৰাণ টানি ধৰিব।

তেখেতে গীতৰ মাজেৰে কৈ গৈছে—প্ৰেমিক মনৰ আকুলতা এই জনমত পূৰ্ণ নহ'ল। কোৱা নহ'ল তেখেতৰ প্ৰেয়সীক মনৰ গোপন কথা। সেই নোকোৱা কথাটি ক'বলৈ, নোপোৱা প্ৰেম পাবলৈ তেখেতে বাঞ্ছা কৰিছে পৰজনমলৈ।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে বুকুৰ ভাষাৰে, হাতৰ তুলিকাৰে লিখি গ'ল মানৱ প্ৰেমৰ কথা। যি প্ৰেমে তেখেতক অমৰ কৰি তুলিলে। এনে নিস্বাৰ্থ প্ৰেমেহে জগত ধুনীয়া কৰিব পাৰে।

**সহায়ক গ্ৰন্থ ঃ**

১। বিষ্ণু ৰাভাৰ জীৱন আৰু দৰ্শন—ইছমাইল হোছেইন।

২। ভিন্নজনৰ দৃষ্টিত বিষ্ণুপ্ৰসাদ ৰাভা—মুখ্য সম্পাদনা সূৰ্য হাজৰিকা।

ঠিকনা ঃ প্ৰযত্নে ঃ গোবিন কৃষ্ণ গোস্বামী, অমৰ এনক্লেভ, বি ব্লক ফ্লেট নম্বৰ-২২, বেলতলা-৭৮১০২৮